# সবিষ্টক আৰু বীৰক ( জাতকৰ সাধু )

**প্ৰশ্ন ১। চমুকৈ উত্তৰ দিয়া –**

( ক ) দেশখনত দুৰ্ভিক্ষ কিয় হৈছিল ?

**উত্তৰঃ** বৰষুণৰ অভাৱত খেতি – বাতি নাোহাোৱাৰ বাবে ।

( খ ) ঢোঁৰা কাউৰী আৰু পানী-কাউৰীৰ আহাৰ সংগ্ৰহৰ নিয়ম কিহত বেলেগ ?

**উত্তৰঃ** ঢোঁৰা কাউৰীয়ে বাম ঠাই বা মাটিৰ ওপৰৰ পৰা আহাৰ সংগ্ৰহ কৰে , কিন্তু পানী কাউৰীয়ে পানীত সাঁতুৰি বা ডুব মাৰি আহাৰ সংগ্ৰহ কৰে ।

( গ ) হাবিৰ মাজৰ পুখুৰীটো কিহেৰে ভৰি আছিল ?

**উত্তৰঃ** ভেটফুল , শেলুৰৈ আৰু দল ঘাঁহেৰে ভৰি আছিল ।

( ঘ ) সবিষ্টক কিয় হাবিলৈ যাবলগীয়াত পৰিছিল ?

**উত্তৰঃ** সবিষ্টক খাদ্যৰ সন্ধানত হাবিলৈ যাবলগীয়া হৈছিল ।

( ঙ ) সবিষ্টকে বীৰকৰ কথা কিয় শুনা নাছিল ?

**উত্তৰঃ** সবিষ্টিকে ভাবিছিল যে বীৰকো কাউৰী সিও কাউৰী । বীৰকে যদি পানীত ডুব মাৰি মাছ ধৰিব পাৰে , তেনেহলে সিও পাৰিব । এই ভাবিয়েই সবিষ্টকে বীৰকৰ কথা শুনা নাছিল ।

( চ ) সবিষ্টকৰ পাছত অনুশাোচনা হ’ল কিয় ?

**উত্তৰঃ** বন্ধু বীৰকৰ সদুপদেশ নুশুনা ভুলটো বুজিব পাৰি ।

( ছ ) সবিষ্টক বীৰকৰ প্ৰতি কৃতজ্ঞ হৈ ৰ’ল কিয় ?

**উত্তৰঃ** পানীত ডুবি মৰাৰ পৰা ৰক্ষা কৰাৰ কাৰণে সবিষ্টক বীৰকৰ প্ৰতি কৃতজ্ঞ হৈ ৰ’ল ।

**প্ৰশ্ন ২। সবিষ্টক আৰু বীৰকৰ সাধুটোৰ পৰা কি কি কথা শিকিব পাৰি ভাবি চাই লিখা ।**

**উত্তৰঃ** সবিষ্টক আৰু বীৰকৰ সাধুটোৰ পৰা এইখিনি কথা শিকিব পৰা যায় যে জন্মগত স্বভাৱ , যােগ্যতা আৰু সামৰ্থ অনুযায়ীহে কাম কৰিবলৈ আগবঢ়া উচিত । তাকে নকৰি আনে কৰা দেখি নিজে নােৱাৰা কাম কৰিবলৈ গ’লে বিপদৰহে সম্ভাৱনা থাকে । সৎ বন্ধুৱে সদায় বন্ধুক সহায় কৰে আৰু ভাল উপদেশ দিয়ে । তেনেকুৱা বন্ধুৰ হাক – বচন নুশুনি যি কোনাে কাম কৰিবলৈ গ’লে বিপদ অনিবাৰ্য ।

**প্ৰশ্ন ৩। ‘ জাতক ’ কি ? ইয়াত কি কথা লিখা থাকে ?**

**উত্তৰঃ** ‘ জাতক ’ হ’ল বৌদ্ধধৰ্মৰ কিতাপ । ইয়াত ভগৱান বুদ্ধৰ জন্মৰ কাহিনী আৰু নানান নীতিকথা থকা সাধু আছে ।

**প্ৰশ্ন ৪। পানীত সাঁতুৰিব পৰা পাঁচটা চৰাইৰ নাম লিখা ।**

**উত্তৰঃ** পানী-কাউৰী , শৰালি , ৰাজহাঁহ , ঢেঁকৰ আৰু ডাউক ।

**প্ৰশ্ন ৫। বাক্য ৰচনা কৰা –**

জাঁজ , দুৰ্ভিক্ষ , কৌশল , অভ্যাস , দুবেলা-দুসাঁজ , চৰাই – চিৰিকটি , জীৱ – জন্তু , কক্কক , উশাহ – নিশাহ , সুখ – সন্তোষ

**উত্তৰঃ জাঁজ :-** বানপানীত উটি অহা জাঁজে ধাননি পথাৰ নষ্ট কৰে ।

**দুৰ্ভিক্ষ :-** দুৰ্ভিক্ষৰ সময়ত চোৰ – ডকাইতৰ উৎপাত বাঢ়ে ।

**কৌশল :-** চিকাৰীজনে কৌশলেৰে বাঘটো পিঞ্জৰাবদ্ধ কৰিছিল ।

**অভ্যাস :-** অভ্যাস নােহােৱাকৈ সাঁতুৰিবলৈ যােৱাটো বিপজ্জনক ।

**দুবেলা-দুসাঁজ :-** তেওঁ কোনােমতে দুবেলা-দুসাঁজ খাই জীয়াই আছে ।

**চৰাই – চিৰিকটি :-** উপযুক্ত পৰিৱেশৰ অভাৱত এতিয়া চৰাই – চিৰিকটিৰ সংখ্যা যথেষ্ট কমি গৈছে।

**জীৱ – জন্তু :-** আমি সকলোৰে জীৱ – জন্তুৰ প্ৰতি মৰমিয়াল হোৱা উচিত ।

**ককবক :-** যোৱাকালি পুখুৰীৰ পানীত পৰি ককবকাই থকা ল’ৰা এটা দেউতাই তুলি আনিছিল ।

**উশাহ-নিশাহ :-** ভিৰৰ বাবে বাছখনৰ ভিতৰত উশাহ – নিশাহ বন্ধ হোৱা যেন লাগিছিল ।

**সুখ – সন্তোষ :-** কঠোৰ পৰিশ্ৰম কৰিলেহে সুখে – সন্তোষে ভৰা জীৱন এটা পাব পাৰি ।

**প্ৰশ্ন ৬। প্ৰতিশব্দ কাক বোলে ? উদাহৰণ – সহ বুজাই লিখা ।**

**উত্তৰঃ** একে অৰ্থ বুজোৱা শব্দৰ ইটোক সিটোৰ প্ৰতিশব্দ বোলে । যেনে—‘ ভাল’ৰ প্ৰতিশব্দ ‘ সজ ’ বা ‘ সজ’ৰ প্ৰতিশব্দ ভাল ।

**প্ৰশ্ন ৭। প্ৰতিশব্দ লিখা – ( প্ৰথম স্তম্ভত দিয়া প্ৰতিশব্দৰ শব্দ দ্বিতীয় স্তম্ভ শব্দবোৰৰ পৰা বাচি লোৱা । )**

| **প্ৰথম স্তম্ভ** | **দ্বিতীয় স্তম্ভ** |
|---|---|
| দুৰ্ভিক্ষ | অনুতাপ |
| শলাগ | ভীতি |
| অনুশোচনা | আকাল |
| ভয় | কৃতজ্ঞতা |
| অনাটন | অভাৱ |
| বন্ধুত্ব | অশুদ্ধতা |
| সৰোবৰ | মিত্ৰতা |
| ভুল | অতিথি |
| আলহী | হ্ৰদ |

**উত্তৰঃ**

| **প্ৰথম স্তম্ভ** | **দ্বিতীয় স্তম্ভ** |
|---|---|
| দুৰ্ভিক্ষ | আকাল |
| শলাগ | কৃতজ্ঞতা |
| অনুশোচনা | অনুতাপ |
| ভয় | ভীতি |
| অনাটন | অভাৱ |
| বন্ধুত্ব | মিত্ৰতা |
| সৰোবৰ | হ্ৰদ |
| ভুল | অশুদ্ধতা |
| আলহী | অতিথি |

**প্ৰশ্ন ৮। প্ৰথম স্তম্ভত দিয়া শব্দবোৰৰ অৰ্থ দ্বিতীয় স্তম্ভৰ শব্দৰ পৰা বিচাৰি উলিওৱা।**

| **প্ৰথম স্তম্ভ** | **দ্বিতীয় স্তম্ভ** |
|---|---|
| দুৰ্ভিক্ষ | ঘৰলৈ অহা আদৰণীয় লোক |
| কৃতজ্ঞ | পানীত ওপঙি থকা ঘাঁহ-বন |
| আলহী | ভাল পৰামৰ্শ |
| জাঁজ | খোৱাবস্তু পাবলৈ নাইকিয়া হোৱা |
| সদুপদেশ | উপকাৰৰ শলাগ লোৱা |

**উত্তৰঃ**

| **প্ৰথম স্তম্ভ** | **দ্বিতীয় স্তম্ভ** |
|---|---|
| দুৰ্ভিক্ষ | খা◌েৰাবস্তু পাবলৈ নাইকিয়া হা◌েৰা |
| কৃতজ্ঞ | উপকাৰৰ শলাগ লা◌েৰা |
| আলহী | ঘৰলৈ অহা আদৰণীয় লা◌েক |
| জাঁজ | পানীত ওপঙি থকা ঘাঁহ-বন |
| সদুপদেশ | ভাল পৰামৰ্শ |

**প্ৰশ্ন ৯। আৰ্হিত বুজাই দিয়াৰ দৰে তলৰবা◌েৰৰ উত্তৰ কৰিবা ।**

**( ক ) ( আৰ্হিঃ বন্ধু — বন্ধুত্ব )**

ঘন —

কুমাৰী —

গুৰু —

মহৎ —

**উত্তৰঃ** ঘন — ঘনত্ব

কুমাৰী — কুমাৰীত্ব

গুৰু — গুৰুত্ব

মহৎ — মহত্ব

**( খ ) ( আৰ্হিঃ সৰল — সৰলতা )**

সৎ — 

কঠিন — 

কোমল — 

তৰল — 

স্বচ্ছ — 

নম্ৰ — 

ব্যস্ত — 

অলস — 

**উত্তৰঃ** সৎ — সততা

কঠিন — কঠিনতা

কোমল — কোমলতা

তৰল — তৰলতা

স্বচ্ছ — স্বচ্ছতা

নম্ৰ — নম্ৰতা

ব্যস্ত — ব্যস্ততা

অলস — অলসতা

**( গ ) আৰ্হিঃ সোণ — সোণালী )**

ৰূপ — 

ৰূপ —

জোন —

ৰ’দ —

মেঘ —

দীপ —

তৰা —

**উত্তৰঃ** ৰূপ — ৰূপালী

ৰং — ৰংলী

জোন — জোনালী

ৰ’দ — ৰ’দালী

মেঘ — মেঘালী

দীপ — দীপালি

তৰা — তৰালী